# উত্তৰ প্ৰদেশ ৰাজ্যিক ঔদ্যোগিক উন্নয়ন নিগম

**বনাম**

**ঋষভ ইস্পাত লিমিটেড আৰু অন্যান্য**

**১৫ডিচেম্বৰ,২০০৬**

**[বি.পি. সিং আৰু আল্টামাছ্ কবিৰ,ন্যায়াধীশ ]**

ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ :

ধাৰা ৪- প্ৰসংগ আদালতৰ দ্বাৰা ক্ষতিপূৰণ প্ৰদান - ক্ষতিপূৰণ বৃদ্ধিৰ বাবে দাবীদাৰসকলৰ দ্বাৰা আপীল -উচ্চ ন্যায়ালয়ে প্ৰসংগ আদালতৰ সিদ্ধান্ত নিশ্চিত কৰে -আপীলত এইবুলি ৰায় দিয়া হয় যে প্ৰসংগ আদালতৰ সিদ্ধান্ত নথিভুক্ত সাক্ষ্যৰ সঠিক মূল্যায়নৰ ওপৰত আধাৰিত হোৱাৰ লগতে আইনখনৰ অধীনত ক্ষতিপূৰণ নিৰ্ধাৰণ সম্পৰ্কীয় নীতিৰ সঠিক প্ৰয়োগৰ ওপৰত আধাৰিত আৰু সেয়েহে হস্তক্ষেপৰ প্ৰয়োজন নহয়।

ধাৰা ১৮- ৰাজ্য চৰকাৰে এইবুলি বিবৃতি প্ৰদান কৰে যে সংশ্লিষ্ট ভূমি ৰাজ্য চৰকাৰৰ অধীনত থকা ভূমি আৰু দাবীদাৰসকলৰ এনে ভূমিৰ বাবে ক্ষতিপূৰণ দাবী কৰাৰ কোনো অধিকাৰ নাই-ৰায় দিয়া হয় যে ধাৰা ১৮-ৰ অধীনস্থ কাৰ্যব্যৱস্থাত এনে বিবৃতি উপস্থাপন কৰিব নোৱাৰি-ভূমি অধিগ্ৰহণ বিষয়াজনে নিজেই দাবীদাৰসকলক ক্ষতিপূৰণৰ প্ৰস্তাৱ দিছিল-এনে কৰাৰ পিছত আৰু ধাৰা ১৮-ৰ অধীনত আদালতত এই প্ৰসংগ উত্থাপন কৰাৰ পিছত, ভূমি অধিগ্ৰহণ বিষয়াজনে ধাৰা ১৮-ৰ অধীনৰ কাৰ্যব্যৱস্থাত এইবুলি দাবী কৰিব নোৱাৰে যে যি দাবীদাৰসকলক তেওঁ নিজেই ক্ষতিপূৰণ দিছিল তেওঁলোক ভূমিৰ গৰাকী নাছিল।

ভূমি অধিগ্ৰহণৰ গোচৰত, হবিবপুৰ গাঁৱৰ সন্দৰ্ভত ভূমি অধিগ্ৰহণ আইনৰ ধাৰা ৪-ৰ অধীনত ২৫ আগষ্ট, ১৯৮১ তাৰিখৰ এক অধিসূচনা জাৰি কৰা হৈছিল।

গুলচিতাপুৰ গাঁৱৰ সন্দৰ্ভত ধাৰা ৪-ৰ অধীনত ১৪ ছেপ্টেম্বৰ, ১৯৮১ তাৰিখৰ আন এক অধিসূচনা জাৰি কৰা হৈছিল। ১৯৮৫চনৰ ৩০ মে'ত গুলচিতাপুৰ গাঁৱৰ ক্ষেত্ৰত তৃতীয়খন অধিসূচনাও জাৰি কৰা হৈছিল।

১৯৮১ চনৰ ২৫ আগষ্টত ধাৰা ৪-ৰ অধীনত জাৰি কৰা অধিসূচনা অনুসৰি, হবিবপুৰ গাঁৱৰ ভূমি অধিগ্ৰহণ কৰিবলৈ বিচৰা হৈছিল। ১৯৮১ চনৰ ২৫ ছেপ্টেম্বৰত আলোচ্য ভূমিৰ দখল লোৱা হৈছিল।

ভূমি অধিগ্ৰহণ বিষয়াজনে ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিছিল। ভূমিৰ মালিকসকল সন্তুষ্ট হোৱা নাছিল। সেয়েহে আইনখনৰ ধাৰা ৪-ৰ অধীনত এক প্ৰসংগ উত্থাপন কৰা হৈছিল। প্ৰসংগ আদালতে ভূমি অধিগ্ৰহণ বিষয়াই আগবঢ়োৱা ক্ষতিপূৰণ বৃদ্ধি কৰিছিল আৰু ই পথ সংলগ্ন ভূমিৰ বাবে প্ৰতি বৰ্গ গজত ১১ টকা দৰত আৰু আন ভূমিৰ বাবে প্ৰতি বৰ্গ গজত ৬ টকা দৰত ক্ষতিপূৰণ অনুমোদন কৰিছিল। আপীলৰ ফলশ্ৰুতিত উচ্চ ন্যায়ালয়ে আন ভূমিৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ পৰিমাণ প্ৰতি বৰ্গ গজত ৬ টকা দৰৰ পৰা প্ৰতি বৰ্গ গজত ৯ টকা দৰলৈ বৃদ্ধি কৰিছিল।আনহাতে পথ সংলগ্ন ভূমিৰ ক্ষেত্ৰত প্ৰতি বৰ্গ গজত ১১ টকা দৰটো অব্যাহত ৰাখিছিল। ৰাজ্য চৰকাৰ আৰু দাবীদাৰ উভয়ে আপীল দাখিল কৰিছিল।

আপীলকাৰী-ৰাজ্য চৰকাৰে দাবী কৰিছিল যে এই গোচৰটোত এখন বিক্ৰী দলিল আছিল য 'ত ' এ ' নামৰ এজন লোকৰ দ্বাৰা প্ৰতি বৰ্গ গজত ৭২ পইচা দৰত ভূমি ক্ৰয় কৰা হৈছিল। সেয়েহে, ভূমিৰ মূল্য বহু কম আছিল বুলি প্ৰমাণ কৰিবলৈ ইয়াতকৈ ভাল প্ৰমাণ থাকিব নোৱাৰে, বিশেষকৈ যেতিয়া উপৰোক্ত বিক্ৰী দলিলখন আইনখনৰ ধাৰা ৪-ৰ অধীনত অধিসূচনা জাৰি কৰাৰ মাত্ৰ ৪ দিন পূৰ্বে কাৰ্যকৰী কৰা হৈছিল ।দাবীদাৰীসকলে আপত্তি বা প্ৰতিবাদ অবিহনে তেওঁলোকলৈ আগবঢ়োৱা ক্ষতিপূৰণ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত, আইনখনৰ ধাৰা ১৮-ৰ অধীনত তেওঁলোকৰ প্ৰসংগ দাবী কৰাৰ অধিকাৰ নাছিল । সংশ্লিষ্ট

ভূমি ৰাজ্য চৰকাৰৰ অধীনত থকা ভূমি আৰু দাবীদাৰসকলৰ এনে ভূমিৰ বাবে ক্ষতিপূৰণ দাবী কৰাৰ কোনো অধিকাৰ নাই ।

আপীল নাকচ কৰি ন্যায়ালয়ে প্ৰদান কৰা ৰায়ঃ

১.১ এইবুলি বিতৰ্ক কৰিব নোৱাৰি যে আলোচ্য ভূমিখিনি মূল্যৱান ভূমি নহয় আৰু অঞ্চলটোত হোৱা উন্নয়নৰ বাবে এয়া আৰু অধিক মূল্যৱান হৈ পৰিছে। এই ভূমি দিল্লী চহৰৰ ওচৰত আৰু দাদৰী-নয়ডা-দিল্লী মুখ্য পথত নয়ডাৰ পৰা ৮-৯ কিলোমিটাৰৰ ভিতৰত আছে। হবিবপুৰ আৰু গুলচিতাপুৰ গাঁও সংলগ্ন গাঁও হোৱাটো বিতৰ্কৰ বিষয় নহয়। এই গাঁওকেইখনৰ অৱস্থানৰ প্ৰতি লক্ষ্য ৰাখি অধিগ্ৰহণ কৰা ভূমিৰ ক্ষতিপূৰণ উচ্চ ন্যায়ালয়ে একে ভিত্তিত আৰু একে হাৰত প্ৰদান কৰিছে [১১৩৩-ডি-ই]

১.২ ভূমি অধিগ্ৰহণ সমাহৰ্তাই নিজেই প্ৰতি বৰ্গ গজত ৩.৯২ টকা আৰু ২.১৪ টকা দৰত ভূমিৰ ক্ষতিপূৰণ প্ৰদান কৰাৰ পৰিপ্ৰেক্ষিতত আইনখনৰ ২৫ নং ধাৰাৰ ব্যৱস্থাৰ অন্তৰ্গত ভূমিৰ ক্ষতিপূৰণ প্ৰতি বৰ্গ গজত ৭২ পইচা দৰলৈ হ্ৰাস হ'ব নোৱাৰে। প্ৰসংগ আদালতে ১৯৮১ চনৰ ২৫ জুলাইত কাৰ্যকৰী কৰা এখন বিক্ৰী দলিলৰ ওপৰত নিৰ্ভৰ কৰিছিল যিখন হবিবপুৰ গাঁৱৰ ২ বিঘা ভূমি প্ৰতি বিঘাত ২১,৬০০ টকা দৰত বিক্ৰী কৰাৰ সৈতে সম্পৰ্কিত আছিল। এই বিক্ৰী দলিলখন ১৯৮১ চনৰ ২৫ জুলাইত কাৰ্যকৰী কৰা হৈছিল, আনহাতে ৪ নং ধাৰাৰ অধীনৰ জাননীখন ১৯৮১ চনৰ ২৫ আগষ্টত জাৰি কৰা হৈছিল। প্ৰসংগ আদালতে এই উদাহৰণক এক নিৰ্ভৰযোগ্য প্ৰমাণ হিচাপে গণ্য কৰিছিল আৰু সেই অনুসৰি পথ সংলগ্ন ভূমিৰ ক্ষেত্ৰত প্ৰতি বৰ্গ গজত ১১ টকা দৰত আৰু আন ভূমিৰ বাবে প্ৰতি বৰ্গ গজত ৬ টকা দৰত ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিছিল। উচ্চ ন্যায়ালয়ে প্ৰসংগ আদালতৰ সিদ্ধান্তক নিশ্চিত কৰে। নথিভুক্ত সাক্ষ্যৰ সঠিক মূল্যায়নৰ ওপৰত আধাৰিত আৰু আইনখনৰ অধীনৰ ক্ষতিপূৰণ নিৰ্ধাৰণ

সম্পৰ্কীয় নীতিৰ সঠিক প্ৰয়োগৰ ওপৰত আধাৰিত ৰায় হস্তক্ষেপ কৰাৰ যুক্তিযুক্ততা নাই। [১১৩৪-চি-ই-এফ]

(২) প্ৰস্তাৱিত ক্ষতিপূৰণ প্ৰতিবাদ অবিহনে গ্ৰহণ কৰা হৈছিল নে নাই সেই প্ৰশ্নটো মূলতঃ তথ্যৰ প্ৰশ্ন যিটো নথিভুক্ত সাক্ষ্যৰ ভিত্তিত নিৰ্ধাৰণ কৰিব লাগিব। উচ্চ ন্যায়ালয়ৰ অৱগত হ'ল যে সমাহৰ্তাই ১৯৮৫ চনৰ ২৭ জুনত তেওঁৰ ৰায় প্ৰদান কৰিছিল আৰু ১৯৮৫ চনৰ ৬ আগষ্টত সময় সীমাৰ ভিতৰত প্ৰসংগ উপস্থাপন কৰাৰ বাবে আবেদন দাখিল কৰা হৈছিল। দাবীদাৰসকলে শপত লৈ নিজকে পৰীক্ষা কৰিছিল, আৰু আনকি তেওঁলোকক এইটোও কোৱা হোৱা নাছিল যে তেওঁলোকে প্ৰতিবাদ নকৰাকৈ ক্ষতিপূৰণটো গ্ৰহণ কৰিছিল । দাবীদাৰসকলে বিনা প্ৰতিবাদে ক্ষতিপূৰণটো গ্ৰহণ কৰিছিল বুলি প্ৰমাণ কৰিবলৈ কোনো সাক্ষ্য নথিভুক্ত কৰা হোৱা নাছিল। আনহাতে, দাবীদাৰসকলে তৎপৰতাৰে তেওঁলোকৰ আপত্তি দাখিল কৰি আৰু আইনখনৰ ১৮ নং ধাৰাৰ অধীনত প্ৰসংগ উত্থাপন কৰি এইটো প্ৰমাণিত কৰিছিল যে দাবীদাৰসকলে প্ৰতিবাদ অবিহনে ক্ষতিপূৰণ গ্ৰহণ কৰা নাছিল, কিন্তু তেওঁলোকৰ গ্ৰহণযোগ্যতা প্ৰসংগ আদালত বা আন যিকোনো উচ্চ ন্যায়ালয়ে জাৰি কৰিব পৰা নিৰ্দেশ সাপেক্ষে আছিল। সেয়েহে উচ্চ ন্যায়ালয়ে এইবুলি ৰায়দান কৰিছিল যে দাবীদাৰসকলৰ দ্বাৰা প্ৰতিবাদ অবিহনে ক্ষতিপূৰণ গ্ৰহণ কৰা হৈছিল বুলি যুক্তি প্ৰমাণ কৰিবলৈ কোনো উপাদান নাই। [১১৩৪-এইছ; ১১৩৫-এ-ডি ]

(৩) উচ্চ ন্যায়ালয়ে সঠিকভাৱে ৰায় দিয়ে যে কিছুমান দাবীদাৰ চৰকাৰী ভূমিৰ অনধিকাৰ দখলকাৰী হোৱাৰ পৰিপ্ৰেক্ষিতত এনে ভূমিৰ বাবে ক্ষতিপূৰণৰ অধিকাৰী নহয় বুলি প্ৰমাণ কৰিবলৈ কোনো নথিভুক্ত সাক্ষ্য নাই। উচ্চ ন্যায়ালয়ে এইবুলিও সঠিক ৰায় প্ৰদান কৰিছিল যে আইনখনৰ ধাৰা ১৮ ৰ অধীনৰ প্ৰসংগ উত্থাপনত এনে যুক্তি উপস্থাপন কৰিব নোৱাৰি কাৰণ আইনখনৰ ধাৰা ১৮ ৰ অধীনত এখন প্ৰসংগ আদালতৰ দ্বাৰা বিবেচনা কৰিব

পৰা বিষয়বোৰ স্বয়ং ধাৰা ১৮-তে সন্নিৱিষ্ট হৈ আছে আৰু তলত উল্লেখ কৰা ধাৰাবোৰতো সন্নিৱিষ্ট হৈ আছে। এই গোচৰটো দুজন দাবীদাৰে একেটুকুৰা ভূমিৰ সন্দৰ্ভত ক্ষতিপূৰণ দাবী কৰা সম্পৰ্কীয় নাছিল,বা এয়া ভাগ-বতৰা সম্পৰ্কে কোনো বিবাদ থকা গোচৰ নাছিল। [১১৩৬-ই-জি]

*ৰঘুনাথ আৰু অন্যান্য বনাম মহাৰাষ্ট্ৰ চৰকাৰ আৰু অন্যান্য,* [১৯৮৮]৩ এছ চি চি ২৯৪, প্ৰযোজ্য নহয় বুলি ৰায়দান।

*হিন্দুস্তান অইল মিলছ লিমিটেড আৰু অন্য এক বনাম বিশেষ উপ-সমাহৰ্তা* (ভূমি অধিগ্ৰহণ) [১৯৯০] ১ এছ চি চি ৫৯, পাৰ্থক্য নিৰ্ধাৰণ কৰা হয়।

*গিৰধাৰীলাল অমৰতলাল বনাম গুজৰাট চৰকাৰ,* [১৯৬৬] ৩ এছ চি আৰ ৪৩৭; *গুজৰাট চৰকাৰ বনাম হাইদৰ বাক্স ৰাজৰী,* [১৯৭৬]৩ এছ চি চি ৫৩৬ আৰু *ৰাজ্য বনাম ভোগিলাল কেশৱলাল,* [১৯৮০] ১ এছ চি চি ৩০৮ , উল্লেখ কৰা হৈছে।

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : দেৱানী আপীল নং. ১৩৩০/১৯৯৭ ।

২/৪/১৯৯৬ তাৰিখৰ এলাহাবাদৰ উচ্চ ন্যায়ালয়ৰ ৰায় আৰু আদেশৰ পৰা প্ৰথম আপীল নং ৮৬১/১৯৯১ৰ সৈতে ১৯৯৭ চনৰ দেৱানী আপীল নং. ১৩৩২-১৩৮২, ১৩৮৩, ১৩৮৪-১৫১৫, ১৫১৬-১৫৩৫ আৰু ১৩৩১।

উপস্থাপক পক্ষঃ ভি.আৰ. ৰেড্ডী, পি. পি. ৰাও, বিবেক তন্‌খা, ৰঞ্জিত কুমাৰ (এন.পি.), অমিত সিং, পৰীনা স্বৰূপ, প্ৰমোদ স্বৰূপ, মনোজ স্বৰূপ এণ্ড কোম্পানী, ধৰম বীৰ ৰাজ ভোহৰা, জীতেন্দ্ৰ সিং, ড° নাফিছ এ. ছিদ্দিকী, অ'.পি. গুপ্তা, আৰ. কে.ঠাকুৰ, ৰাজিন্দৰ মাথুৰ, তৰুণ মাথুৰ, ৰণবীৰ সিং যাদৱ, ডি.বি.ভোহৰা, বি.কে. সতীজা, ই.চি.আগৰৱালা, আৰ.চি.বাৰ্মা, বি.বি.সিন্‌হা, জলি ছাক্সেনা, এম.পি.শ্বোৰাৱালা,ৰমেশ চন্দ্ৰ পাণ্ডে, অৰবিন্দ বাৰ্মা, ভি.কে.আগৰৱাল, মালৱিকা ত্ৰিবেদী (কে.এল. মেহতা এণ্ড কোম্পানী -ৰ হৈ) ,বি. এছ. নাগৰ, কে.

এল.জানজানি, আৰ.পি. শৰ্মা, সন্দীপ সিং, অৰুণ ভৰদ্বাজ, পান্নালাল ছিনগল, ৰামেশ্বৰ প্ৰসাদ গোৱেল, এন.এছ.গেহলট, আৰ. কে.সিং, ৰশ্মি সিং আৰু কমলেন্দ্ৰ মিশ্ৰ।

ন্যায়ালয়ৰ ৰায়দান প্ৰদান কৰে ন্যায়াধীশ বি.পি. সিঙে । ১৯৯৬ চনৰ ২ এপ্ৰিল তাৰিখৰ এলাহাবাদ উচ্চ ন্যায়ালয়ৰ সাধাৰণ ৰায় আৰু নিৰ্দেশৰ বিৰুদ্ধে এই আপীলৰাজি উত্থাপন কৰা হৈছিল যাৰ দ্বাৰা ৰাজ্যিক ঔদ্যোগিক উন্নয়ন নিগম (ইউ. পি. এছ. আই. ডি. চি.) আৰু দাবীদাৰসকলে কৰা আপীল সন্দৰ্ভত সিদ্ধান্ত লোৱা হয়।

ভূমি অধিগ্ৰহণ আইনৰ ব্যৱস্থাৰ অন্তৰ্গত তিনিখন অধিসূচনাৰ অধীনত অধিগ্ৰহণ কৰা প্ৰায় ৯০০ একৰ পৰিমাণৰ ভূমি দুই কাষৰীয়া গাঁও হবিবপুৰ গাঁও আৰু গুলচিতাপুৰ গাঁৱত অৱস্থিত । হবিবপুৰৰ ক্ষেত্ৰত ভূমি অধিগ্ৰহণ আইনৰ ৪(১)) ধাৰাৰ অধীনত (ইয়াৰ পিছত 'আইনখন' বুলি উল্লেখ কৰা হৈছে) এক অধিসূচনা ১৯৮১ চনৰ ২৫ আগষ্টত ২২৫.৭৫ একৰ ভূমিৰ সন্দৰ্ভত জাৰি কৰা হৈছিল। ১৯৮১ চনৰ ১৪ ছেপ্টেম্বৰত ৪ নং ধাৰাৰ অধীনত জাৰি কৰা আন এক অধিসূচনা গুলচিতাপুৰ গাঁৱৰ ১৭৩.৫ একৰ ভূমিৰ সৈতে সম্পৰ্কিত। ১৯৮৫ চনৰ ৩০ মে'ত জাৰি কৰা তৃতীয়খন অধিসূচনা গুলচিতাপুৰ গাঁৱৰ ৫০১.৪৮ একৰ ভূমিৰ সৈতে সম্পৰ্কিত।

ইউ. পি. এছ. আই. ডি. চি.-এ উত্থাপন কৰা দেৱানী আপীল নং ১৩৩০/১৯৯৭ আৰু ১৩৩২-১৩৮২/১৯৯৭ হবিবপুৰ গাঁৱৰ সৈতে সম্পৰ্কিত। একেদৰে দেৱানী আপীল নং ১৩৮৪-১৫১৫/১৯৯৭ ইউ. পি. এছ. আই. ডি. চি.-ৰ দ্বাৰা কৰা হয়। । বাকী আপীলৰাজি ভূমিৰ গৰাকী/দাবীদাৰসকলৰ দ্বাৰা কৰা হয়।

১৯৮১ চনৰ ২৫ আগষ্টত ভূমি অধিগ্ৰহণ আইনৰ ৪নং ধাৰাৰ অধীনত জাৰি কৰা অধিসূচনা অনুসৰি হবিবপুৰ গাঁৱৰ ভূমি ৰাজহুৱা উদ্দেশ্য পূৰণৰ বাবে অধিগ্ৰহণ কৰিবলৈ বিচৰা হৈছিল। ১৯৮১ চনৰ ২৫ ছেপ্টেম্বৰত আলোচ্য ভূমিৰ দখল

লোৱা হৈছিল। আলোচ্য ভূমিৰ বাবে সংশ্লিষ্ট চক্ৰৰ নিৰিখৰ ভিত্তিত বিশেষ ভূমি অধিগ্ৰহণ বিষয়াজনে ভূমিৰ মালিকসকলক ক্ষতিপূৰণৰ প্ৰস্তাৱ দিছিল আৰু সেই মৰ্মে প্ৰতি বৰ্গ গজ ভূমিৰ বাবে চক্ৰ হাৰ ৩.০৫ টকা হোৱাৰ ক্ষেত্ৰত প্ৰতি বিঘাত ৬,৪৮৬.৪৯ টকা দৰত ক্ষতিপূৰণ নিৰ্ধাৰণ কৰা হৈছিল । একেদৰে প্ৰতি বৰ্গ গজ ভূমিৰ বাবে চক্ৰৰ হাৰ ৬.২৫ টকা হোৱাৰ ক্ষেত্ৰত প্ৰতি বিঘাত ১১,৫৮৩.০২ টকা দৰত ক্ষতিপূৰণ নিৰ্ধাৰণ কৰা হৈছিল । ভূমিৰ মালিকসকল বিশেষ ভূমি অধিগ্ৰহণ বিষয়াৰ প্ৰস্তাৱত সন্তুষ্ট হোৱা নাছিল, সেয়েহে আইনখনৰ ১৮ নং ধাৰাৰ অধীনত এক প্ৰসংগ উত্থাপন কৰা হৈছিল।প্ৰসংগ আদালতে ভূমি অধিগ্ৰহণ বিষয়াই আগবঢ়োৱা ক্ষতিপূৰণ বৃদ্ধি কৰিছিল আৰু ই পথ সংলগ্ন ভূমিৰ বাবে প্ৰতি বৰ্গ গজত ১১ টকা দৰত আৰু আন ভূমিৰ বাবে প্ৰতি বৰ্গ গজত ৬ টকা দৰত ক্ষতিপূৰণ অনুমোদন কৰিছিল। আপীলৰ ফলশ্ৰুতিত উচ্চ ন্যায়ালয়ে আন ভূমিৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ পৰিমাণ প্ৰতি বৰ্গ গজত ৬ টকা দৰৰ পৰা প্ৰতি বৰ্গ গজত ৯ টকা দৰলৈ বৃদ্ধি কৰিছিল।আনহাতে পথ সংলগ্ন ভূমিৰ ক্ষেত্ৰত প্ৰতি বৰ্গ গজত ১১ টকা দৰটো অব্যাহত ৰাখিছিল। এইবুলি বিতৰ্ক কৰিব নোৱাৰি যে আলোচ্য ভূমিখিনি মূল্যৱান ভূমি নহয় আৰু অঞ্চলটোত হোৱা উন্নয়নৰ বাবে এয়া আৰু অধিক মূল্যৱান হৈ পৰিছে। এই ভূমি দিল্লী চহৰৰ ওচৰত আৰু দাদৰী-নয়ডা-দিল্লী মুখ্য পথত নয়ডাৰ পৰা ৮-৯ কিলোমিটাৰৰ ভিতৰত আছে। হৰিবপুৰ আৰু গুলচিতাপুৰ গাঁও সংলগ্ন গাঁও হোৱাটো বিতৰ্কৰ বিষয় নহয়। এই গাঁওকেইখনৰ অৱস্থানৰ প্ৰতি লক্ষ্য ৰাখি অধিগ্ৰহণ কৰা ভূমিৰ ক্ষতিপূৰণ উচ্চ ন্যায়ালয়ে একে ভিত্তিত আৰু একে হাৰত প্ৰদান কৰিছে।

উচ্চ ন্যায়ালয়ে ভূমিৰ মালিকসকলক প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিবলৈ নথিভুক্ত সাক্ষ্যৰ এক অত্যন্ত বিশদ আৰু নিখুঁত পৰীক্ষা সম্পন্ন কৰাৰ দায়িত্ব গ্ৰহণ কৰে । প্ৰতিষ্ঠিত সত্যটো এয়ে যে আইনখনত নিৰ্ধাৰিত নীতিবোৰৰ প্ৰতি লক্ষ্য ৰাখি আদালতে ভূমিৰ মালিকসকলক প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিব লাগিব, কিন্তু প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণৰ মূল্যায়নত

গোচৰটোৰ সকলো তথ্য আৰু পৰিস্থিতি সাপেক্ষে কিছু যুক্তিসংগত অনুমানৰ কাম জড়িত হৈ থাকে।

আমি উচ্চ ন্যায়ালয়ৰ ৰায়টো যত্ন সহকাৰে পৰীক্ষা কৰিছো আৰু এতিয়ালৈকে ক্ষতিপূৰণৰ পৰিমাণৰ বিষয়ে আমি উচ্চ ন্যায়ালয়ৰ যুক্তিত কোনো অবৈধতা বা অযৌক্তিকতা বিচাৰি পোৱা নাই। নথিভুক্ত সাক্ষ্য অতি সযত্নে বিবেচনা কৰি উচ্চ ন্যায়ালয়ে ইয়াৰ ৰায় প্ৰদান কৰিছে আৰু সেয়েহে আমি উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত হস্তক্ষেপ কৰাৰ কোনো যুক্তি বিচাৰি পোৱা নাই।

অৱশ্যে আমি লক্ষ্য কৰিব পাৰো যে আপীলকাৰী-ইউ. পি. এছ. আই. ডি. চি.-ৰ হৈ হাজিৰ হোৱা অধিবক্তাই উপস্থাপন কৰিছিল যে এই গোচৰটোত এখন বিক্ৰী দলিল আছিল য'ত শ্ৰী এ. পি. ছাৰিন-ৰ দ্বাৰা প্ৰতি বৰ্গ গজত ৭২ পইচা দৰত ভূমি ক্ৰয় কৰা হৈছিল। সেয়েহে, তেওঁ উপস্থাপন কৰিছিল যে ভূমিৰ মূল্য বহু কম আছিল বুলি প্ৰমাণ কৰিবলৈ ইয়াতকৈ ভাল প্ৰমাণ থাকিব নোৱাৰে, বিশেষকৈ যেতিয়া উপৰোক্ত বিক্ৰী দলিলখন আইনখনৰ ধাৰা ৪-ৰ অধীনত অধিসূচনা জাৰি কৰাৰ মাত্ৰ ৪ দিন পূৰ্বে কাৰ্যকৰী কৰা হৈছিল। এই উপস্থাপন আকৰ্ষণীয় যেন লাগিছে, কিন্তু ভূমি অধিগ্ৰহণ সমাহৰ্তাই নিজেই প্ৰতি বৰ্গ গজত ৩.৯২ টকা আৰু ২.১৪ টকা দৰত ভূমিৰ ক্ষতিপূৰণ প্ৰদান কৰিছিল। আইনখনৰ ২৫ নং ধাৰাৰ ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত ভূমিৰ ক্ষতিপূৰণ প্ৰতি বৰ্গ গজত ৭২ পইচা দৰলৈ হ্ৰাস কৰিব নোৱাৰিলেহেঁতেন । তদুপৰি বিক্ৰী দলিলখনে সেই অঞ্চলৰ ভূমিৰ মূল্য সঠিকভাৱে প্ৰতিনিধিত্ব কৰা দেখা নগ'ল কাৰণ আন উদাহৰণবোৰে এক বেলেগ ছবি প্ৰদৰ্শন কৰিছিল। আনহাতে, দাবীদাৰসকলে ১৯৮১ চনৰ ১৯আগষ্ট তাৰিখৰ এখন বিক্ৰী দলিলো দাখিল কৰিছিল, য'ত হবিবপুৰ গাঁৱৰ ০.৫ বিঘা মাটি প্ৰতি বিঘাত ৪৩,৮০১/-টকা দৰত বিক্ৰী কৰাৰ কথা উল্লেখ আছিল। এই উদাহৰণটো প্ৰসংগ আদালতে নাকচ কৰিছিল কিয়নো প্ৰসংগ আদালতৰ নিৰীক্ষণ এয়ে আছিল যে হবিবপুৰ গাঁৱৰ ভূমিৰ বাবে ইমান

উচ্চ মূল্য প্ৰকাশ কৰা এইখনেই একমাত্ৰ বিক্ৰী দলিল আছিল। প্ৰসংগ আদালতে ১৯৮১ চনৰ ২৫ জুলাইত কাৰ্যকৰী কৰা এখন বিক্ৰী দলিল ভিত্তি হিচাপে লৈছিল যিখন হবিবপুৰ গাঁৱৰ ২ বিঘা ভূমি প্ৰতি বিঘাত ২১,৬০০ টকা দৰত বিক্ৰী কৰাৰ সৈতে সম্পৰ্কিত আছিল। এই বিক্ৰী দলিলখন ১৯৮১ চনৰ ২৫ জুলাইত কাৰ্যকৰী কৰা হৈছিল, আনহাতে ৪ নং ধাৰাৰ অধীনৰ জাননীখন ১৯৮১ চনৰ ২৫ আগষ্টত জাৰি কৰা হৈছিল। প্ৰসংগ আদালতে এই উদাহৰণক এক নিৰ্ভৰযোগ্য প্ৰমাণ হিচাপে গণ্য কৰিছিল আৰু সেই অনুসৰি পথ সংলগ্ন ভূমিৰ ক্ষেত্ৰত প্ৰতি বৰ্গ গজত ১১ টকা দৰত আৰু আন ভূমিৰ বাবে প্ৰতি বৰ্গ গজত ৬ টকা দৰত ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিছিল। উচ্চ ন্যায়ালয়ে প্ৰসংগ আদালতৰ সিদ্ধান্তক নিশ্চিত কৰে। নথিভুক্ত সাক্ষ্যৰ সঠিক মূল্যায়নৰ ওপৰত আধাৰিত আৰু আইনখনৰ অধীনৰ ক্ষতিপূৰণ নিৰ্ধাৰণ সম্পৰ্কীয় নীতিৰ সঠিক প্ৰয়োগৰ ওপৰত আধাৰিত ৰায়ত হস্তক্ষেপ কৰাৰ যুক্তিযুক্ততা আমি বিচাৰি নাপালো ।

তাৰ পিছত শ্ৰী ৰেড্ডীয়ে উপস্থাপন কৰিছিল যে দাবীদাৰসকলে কোনো আপত্তি বা প্ৰতিবাদ নকৰাকৈ তেওঁলোকলৈ আগবঢ়োৱা ক্ষতিপূৰণ গ্ৰহণ কৰাৰ পিছত, আইনখনৰ ১৮ নং ধাৰাৰ অধীনত তেওঁলোকৰ প্ৰসংগ উপস্থাপন কৰাৰ অধিকাৰ নাই। আনহাতে, দাবীদাৰসকলৰ হৈ বিদ্বান অধিবক্তাই দাবী কৰিছিল যে দাবীদাৰসকলে সঠিক সময়ৰ ভিতৰত তেওঁলোকৰ আপত্তি দাখিল কৰিছিল। সেয়ে এই উপস্থাপন শুদ্ধ তথ্যৰ আধাৰত প্ৰতিষ্ঠিত নহয় আৰু গতিকে তেওঁলোকে প্ৰতিবাদ অবিহনে ক্ষতিপূৰণ গ্ৰহণ কৰাৰ কোনো প্ৰশ্নই নুঠে। প্ৰস্তাৱিত ক্ষতিপূৰণ প্ৰতিবাদ অবিহনে গ্ৰহণ কৰা হৈছিল নে নাই সেই প্ৰশ্নটো মূলতঃ তথ্যৰ প্ৰশ্ন যিটো নথিভুক্ত সাক্ষ্যৰ ভিত্তিত নিৰ্ধাৰণ কৰিব লাগিব।আমি নথিভুক্ত তথ্য অধ্যয়ন কৰাৰ লগতে এই সন্দৰ্ভত উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায় অধ্যয়ন কৰো । উচ্চ ন্যায়ালয়ৰ অৱগত হ'ল যে সমাহৰ্তাই ১৯৮৫ চনৰ ২৭ জুনত তেওঁৰ ৰায় প্ৰদান কৰিছিল আৰু ১৯৮৫ চনৰ ৬ আগষ্টত সময়সীমাৰ ভিতৰত প্ৰসংগ উপস্থাপন কৰাৰ বাবে আবেদন দাখিল কৰা হৈছিল।

দাবীদাৰসকলে শপত লৈ নিজকে পৰীক্ষা কৰিছিল, আৰু আনকি তেওঁলোকক এইটোও কোৱা হোৱা নাছিল যে তেওঁলোকে **বিনা** প্ৰতিবাদে ক্ষতিপূৰণটো গ্ৰহণ কৰিছিল । দাবীদাৰসকলে বিনা প্ৰতিবাদে  ক্ষতিপূৰণটো গ্ৰহণ কৰিছিল বুলি প্ৰমাণ কৰিবলৈ কোনো সাক্ষ্য নথিভুক্ত কৰা হোৱা নাছিল। আনহাতে, দাবীদাৰসকলে তৎপৰতাৰে তেওঁলোকৰ আপত্তি দাখিল কৰি আৰু আইনখনৰ ১৮ নং ধাৰাৰ অধীনত প্ৰসংগ উত্থাপন কৰি এইটো প্ৰমাণিত কৰিছিল যে দাবীদাৰসকলে প্ৰতিবাদ অবিহনে ক্ষতিপূৰণ গ্ৰহণ কৰা নাছিল, কিন্তু তেওঁলোকৰ গ্ৰহণযোগ্যতা প্ৰসংগ আদালত বা আন যিকোনো উচ্চ ন্যায়ালয়ে জাৰি কৰিব পৰা নিৰ্দেশ সাপেক্ষে আছিল। সেয়েহে উচ্চ ন্যায়ালয়ে এইবুলি ৰায়দান কৰিছিল যে দাবীদাৰসকলৰ দ্বাৰা প্ৰতিবাদ অবিহনে ক্ষতিপূৰণ গ্ৰহণ কৰা হৈছিল বুলি যুক্তি প্ৰমাণ কৰিবলৈ কোনো উপাদান নাই।

শ্ৰী ৰেড্ডীয়ে লগতে যুক্তি দৰ্শাইছিল যে উত্তৰ প্ৰদেশ জমিদাৰী বিলোপ আইন (১৯৫১ চনৰ উত্তৰ প্ৰদেশ আইন নং ১)-ৰ ধাৰা নং ১৫৪(১) আৰু আনুষংগিক ধাৰা নং ১৬৭(১) আৰু ১৬৭(২) উলংঘনেৰে দখল কৰা ভূমিৰ বাবে কোনো ক্ষতিপূৰণ লাভ কৰাৰ অধিকাৰ নাই। এনে ভূমি ৰাজ্য চৰকাৰৰ হাতত ন্যস্ত থকাৰ পৰিপ্ৰেক্ষিতত দাবীদাৰসকলৰ এনে ভূমিৰ বাবে ক্ষতিপূৰণ দাবী কৰাৰ কোনো অধিকাৰ নাছিল।

নথি-পত্ৰৰ পৰা এইটো প্ৰতীয়মান হয় যে ভূমি অধিগ্ৰহণ বিষয়াৰ হৈ প্ৰদান কৰা বিবৃতিটো প্ৰথমতে প্ৰসংগ আদালতে নিশ্চিত কৰিছিল, কিন্তু পিছত সেই ৰায়টো পুনৰীক্ষণ কৰা হৈছিল আৰু এইবুলি ৰায় প্ৰদান কৰা হৈছিল যে দাবীদাৰসকলে উপৰোক্ত ব্যৱস্থা উলংঘনেৰে কোনো ভূমি অধিগ্ৰহণ কৰিছিল বুলি প্ৰমাণ কৰিবলৈ কোনো নথিভুক্ত প্ৰমাণ নাই। ৰাজ্য চৰকাৰে যি আইনী ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিছিল, সেই ব্যৱস্থাৰ ওপৰত বিশেষকৈ উত্তৰ প্ৰদেশ জমিদাৰী বিলোপ আইনৰ ধাৰা ১৫৪ আৰু ১৬৭ ৰ ব্যৱস্থাসমূহ উচ্চ ন্যায়ালয়ে বিবেচনা কৰিছিল।

উত্তৰ প্ৰদেশ জমিদাৰী বিলোপ আইনৰ ধাৰা ১৬৭ অনুসৰি কোনো ভূমি ৰাজ্য চৰকাৰৰ হাতত ন্যস্ত থকাৰ ক্ষেত্ৰত সমাহৰ্তাৰ বাবে এনে ভূমি দখল কৰাটো বৈধ হোৱাৰ লগতে এনে ভূমি দখল কৰা যিকোনো ব্যক্তিক ইয়াৰ পৰা উচ্ছেদ কৰাৰ নিৰ্দেশ দিয়া বৈধ হ'ব।এনে দখল লোৱাৰ উদ্দেশ্যে বা এনে অননুমোদিত ব্যক্তিক উচ্ছেদ কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় শক্তি ব্যৱহাৰ কৰা বা ব্যৱহাৰ কৰোৱাৰ কৰ্তৃত্বও সমাহৰ্তাৰ আছে । উচ্চ ন্যায়ালয়ে দেখা পায় যে উত্তৰ প্ৰদেশৰ ন্যস্ত ভূমিত দাবীদাৰসকল অবৈধ আৰু অননুমোদিত দখলত আছিল বুলি প্ৰতিপন্ন কৰিবলৈ কোনো সাক্ষ্য নাই। এইটো দেখুওৱা হোৱা নাছিল যে কোনো পৰ্যায়ত উত্তৰ প্ৰদেশত থকা এনে ভূমিৰ অননুমোদিত দখলকাৰীসকলক উচ্ছেদ আৰু বেদখল কৰাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ইয়াৰ বিপৰীতে আইনখনৰ ধাৰা ৪ (১) আৰু ধাৰা ৬-ৰ অধীনত জাৰি কৰা জাননী অনুসৰি তেওঁলোকৰ পৰা ভূমিৰ অধিকাৰ লোৱাৰ তাৰিখলৈকে ভূমি দাবীদাৰসকলৰ দখলত আছিল বুলি বিতৰ্ক কৰা হোৱা নাছিল। সেই সময়লৈকে তেওঁলোকৰ দখল আছিল আৰু কোনো আইনৰ অধীনত সমাহৰ্তা বা গাঁও সভাৰ দ্বাৰা লোৱা কোনো ব্যৱস্থাৰ দ্বাৰা তেওঁলোকৰ অধিকাৰ বিঘ্নিত হোৱা নাছিল। সেয়েহে উচ্চ ন্যায়ালয়ে ৰায় দিয়ে যে দাবীদাৰসকল/ভূমিৰ গৰাকীসকল চৰকাৰী ভূমিৰ অননুমোদিত দখলত থকাৰ পৰিপ্ৰক্ষিতত তেওঁলোকক ক্ষতিপূৰণ দিব নোৱাৰি বুলি ৰাজ্য চৰকাৰৰ যুক্তি প্ৰতিপন্ন কৰিবলৈ কোনো প্ৰমাণ নাই। উচ্চ ন্যায়ালয়েও লক্ষ্য কৰা তথা আমাৰ দৃষ্টিতো সঠিক দিশটো এয়ে যে আইনখনৰ ১৮ নং ধাৰাৰ অধীনৰ কোনো কাৰ্যব্যৱস্থাত এনে বিবৃতি উত্থাপন কৰিব নোৱাৰি। এইটোও বিতৰ্কৰ বিষয় নহয় যে বিশেষ ভূমি অধিগ্ৰহণ বিষয়াজনে দাবীদাৰসকলক ক্ষতিপূৰণৰ প্ৰস্তাৱ আগবঢ়াইছিল। এইটো স্পষ্টভাৱে এক ভিত্তি আছিল যাৰ আধাৰত ৰাজ্যখনে দাবীদাৰসকলক অধিগ্ৰহণ কৰিবলৈ বিচৰা ভূমিৰ গৰাকী হিচাপে স্বীকৃতি দিছিল। এনে কৰাৰ পিছত, আৰু আইনখনৰ ১৮ নং ধাৰাৰ অধীনত আদালতত প্ৰসংগ উত্থাপন কৰাৰ পিছত,

বিশেষ ভূমি অধিগ্ৰহণ বিষয়াজনে আইনখনৰ ১৮ নং ধাৰাৰ অধীনৰ কাৰ্যক্ৰমত বা ইয়াৰ পৰা উদ্ভৱ হোৱা কোনো কাৰ্যক্ৰমত দাবী কৰিব নোৱাৰে যে সেই দাবীদাৰসকল, যাক তেওঁ নিজেই ক্ষতিপূৰণ দিছিল, তেওঁলোক ভূমিৰ গৰাকী নাছিল। ৰাজ্য চৰকাৰৰ মতে যি সকলে উত্তৰ প্ৰদেশত ন্যস্ত ভূমি দখল কৰি আছিল, এনে দাবীদাৰসকলক ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত অস্বীকাৰ কৰিবলৈ ৰাজ্য চৰকাৰে আইন অনুসৰি অনুজ্ঞেয় উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত আছিল। নথিভুক্ত সাক্ষ্য আৰু উচ্চ ন্যায়ালয়ৰ ৰায় বিবেচনা কৰি অমি সন্তুষ্ট কিয়নো উচ্চ ন্যায়ালয়ে সঠিকভাৱে ৰায় দিয়ে যে কিছুমান দাবীদাৰ চৰকাৰী ভূমিৰ অনধিকাৰ দখলকাৰী হোৱাৰ পৰিপ্ৰেক্ষিতত এনে ভূমিৰ বাবে ক্ষতিপূৰণৰ অধিকাৰী নহয় বুলি প্ৰমাণ কৰিবলৈ কোনো নথিভুক্ত সাক্ষ্য নাই। উচ্চ ন্যায়ালয়ে এইবুলিও সঠিক ৰায় প্ৰদান কৰিছিল যে আইনখনৰ ধাৰা ১৮ ৰ অধীনৰ প্ৰসংগ উত্থাপনত এনে যুক্তি উপস্থাপন কৰিব নোৱাৰি কাৰণ আইনখনৰ ধাৰা ১৮ ৰ অধীনত এখন প্ৰসংগ আদালতৰ দ্বাৰা বিবেচনা কৰিব পৰা বিষয়বোৰ স্বয়ং ধাৰা ১৮-তে সন্নিৱিষ্ট হৈ আছে আৰু তলত উল্লেখ কৰা ধাৰাবোৰতো সন্নিৱিষ্ট হৈ আছে । এই গোচৰটো দুজন দাবীদাৰে একেটুকুৰা ভূমিৰ সন্দৰ্ভত ক্ষতিপূৰণ দাবী কৰা সম্পৰ্কীয় নাছিল বা এয়া ভাগ-বতৰা সম্পৰ্কে কোনো বিবাদ থকা গোচৰ নাছিল। ৰাজ্য চৰকাৰে বিচাৰিছিল যে আদালতে এইবুলি ৰায় দিয়ক যে যিসকল ব্যক্তিলৈ ক্ষতিপূৰণ আগবঢ়োৱা হৈছিল আৰু যিসকলৰ ভূমিৰ অধিকাৰ থকা বুলি সমাহৰ্তাই বিশ্বাস কৰাৰ কাৰণ আছিল, তেওঁলোকক কোনো ক্ষতিপূৰণ দিয়া উচিত নহ'ব কাৰণ তেওঁলোকৰ ভূমিৰ অধিকাৰ নাছিল আৰু তেওঁলোক চৰকাৰী ভূমিৰ অনধিকাৰ দখলদাৰ আছিল।

এতিয়া আমি হবিবপুৰ গাঁৱৰ ভূমি অধিগ্ৰহণ সন্দৰ্ভত দাবীদাৰসকলে কৰা আপীলৰ উপস্থাপন বিবেচনা কৰিম।

দাবীদাৰসকলৰ মতে আইনখনৰ ধাৰা ৪(১ ) আৰু আনুষংগিক ধাৰা ১৭ (৪) ৰ অধীনত ১৯৮১ চনৰ ২৫ আগষ্টত এক অধিসূচনা প্ৰকাশ কৰা হৈছিল। উপৰোক্ত অধিসূচনাৰ জৰিয়তে আইনখনৰ ধাৰা ৫-এ ৰ অধীনৰ তদন্ত ব্যাহত কৰা হৈছিল। ইয়াৰ পিছতে ৬ নং ধাৰাৰ অধীনত এক ঘোষণাপত্ৰও জাৰি কৰা হৈছিল। উপৰোক্ত অধিসূচনাক দাবীদাৰসকলে দেৱানী বিবিধ লেখ আবেদন নং ১১৮৭২/১৯৮১ৰ জৰিয়তে প্ৰত্যাহ্বান জনাইছিল, যিখনৰ সন্দৰ্ভত ১৯৮৩ চনৰ ২৩ মে'ত ৰায়দান কৰা হৈছিল। লেখ আবেদন সন্দৰ্ভত সিদ্ধান্ত লওঁতে উচ্চ ন্যায়ালয়ে এনেদৰে ৰায়দান কৰেঃ

"আলোচনাৰ ফলাফল এয়ে যে আবেদনকাৰীসকলক আপত্তি দাখিল কৰাৰ সুযোগ নিদিয়াকৈ আৰু ধাৰা ৫ এ-ৰ অধীনত তদন্ত সম্পন্ন নকৰাকৈ আইনখনৰ ৬ নং ধাৰাৰ অধীনত জাৰি কৰা জাননী অবৈধ। সেই ব্যৱস্থাৰ অধীনৰ তদন্ত বাতিল কৰাৰ সিদ্ধান্ত সম্পূৰ্ণৰূপে আইনী কৰ্তৃত্বৰ বহিৰ্ভূত আছিল। সেই সন্দৰ্ভত ৪ নং ধাৰাৰ অধীনৰ অধিসূচনাত কৰা ব্যাখাকৰণ অবৈধ। ১৯৮১ চনৰ ২৫ আগষ্ট তাৰিখৰ অধিসূচনা বাতিল কৰা হ'ল। আবেদনকাৰীসকলক আপত্তি দাখিল কৰাৰ অনুমতি প্ৰদানৰ বাবে প্ৰতিবাদী পক্ষসমূহক নিৰ্দেশ দিয়া হ'ল আৰু তেওঁলোকৰ ভূমি সম্পৰ্কে আইনখনৰ ৬ নং ধাৰাৰ অধীনত নতুন ঘোষণা (আৱশ্যকীয় ক্ষেত্ৰত) কৰাৰ আগতে ৫-এ ধাৰাৰ অধীনত তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হ'ল ।"

ৰাজ্য চৰকাৰে এই ন্যায়ালয়ত এক বিশেষ অনুমতি আবেদন দাখিল কৰিছিল কিন্তু বিশেষ অনুমতি আবেদন বিচাৰাধীন হৈ থকাৰ সময়তে ১৯৮৩ চনৰ ১১ জুলাইত এক অধিসূচনা জাৰি কৰি আইনখনৰ ৪ নং ধাৰাৰ অধীনত পূৰ্বে জাৰি কৰা অধিসূচনা অনুসৰি দাবীদাৰসকলৰ পৰা আপত্তি আহ্বান কৰিছিল। আপত্তিসমূহ বিবেচনা কৰাৰ পিছত ১৯৮৩ চনৰ ৭ অক্টোবৰত আইনখনৰ ৬ নং ধাৰাৰ অধীনত এক অধিসূচনা জাৰি কৰা হৈছিল। উচ্চ ন্যায়ালয়ৰ আগত

দাবীদাৰসকলৰ হৈ উপস্থাপন কৰা হৈছিল যে যিহেতু আইনখনৰ ৪ আৰু ৬ নং ধাৰাৰ অধীনৰ মূল অধিসূচনাসমূহ বাতিল কৰা হৈছিল আৰু ১৯৮৩ চনৰ ১১ জুলাইত আইনখনৰ ৫-এ ধাৰাৰ অধীনত আপত্তি আহ্বান কৰি এক নতুন অধিসূচনা জাৰি কৰা হৈছিল, সেয়েহে ১৯৮৩ চনৰ ১১ জুলাইত জাৰি কৰা অধিসূচনাক আইনখনৰ ৪ নং ধাৰাৰ অধীনৰ অধিসূচনা হিচাপে খতিয়ান লৈ প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিব লাগিব।

উচ্চ ন্যায়ালয়ে এই যুক্তিক নাকচ কৰি এইবুলি ৰায় দিয়ে যে আইনখনৰ ৪ নং ধাৰাৰ অধীনত ১৯৮১ চনৰ ২৫ আগষ্টত জাৰি কৰা অধিসূচনাখন দুটা ভাগত বিভক্ত আছিল। প্ৰথম অংশত ৰাজহুৱা উদ্দেশ্যত আলোচ্য ভূমি অধিগ্ৰহণৰ প্ৰয়োজনীয়তাৰ কথা ঘোষণা কৰাৰ বিপৰীতে দ্বিতীয় অংশত আইনখনৰ ধাৰা ৫-এ-ৰ অধীনত তদন্ত বাতিল কৰা হৈছিল। উচ্চ ন্যায়ালয়ে জাননীখনৰ কেৱল সেই অংশটো বাতিল কৰিছিল যিটো অংশই আইনখনৰ ধাৰা ৫-এ-ৰ অধীনত তদন্ত ব্যাহত কৰিছিল কিয়নো কোনো জৰুৰী অৱস্থা প্ৰতিপন্ন কৰিব পৰা এনে কোনো নথিভুক্ত উপাদান নাছিল যিয়ে আইনখনৰ ধাৰা ৫-এ-ৰ অধীনৰ তদন্ত ব্যাহতকৰণৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰিব পাৰে। উচ্চ ন্যায়ালয়ৰ ৰায় আৰু নিৰ্দেশ পঢ়াৰ পিছত এইবুলি ৰায়দান কৰা হৈছিল যে আইনখনৰ ধাৰা ৪(১)ৰ অধীনৰ এক অধিসূচনা হিচাপে থকা প্ৰথম অংশটো বাতিল কৰা হোৱা নাছিল। আইনখনৰ ধাৰা ৫-এ-ৰ অধীনত আপত্তি আহ্বানেৰে ১৯৮৩ চনৰ ১১ জুলাই তাৰিখে জাৰি কৰা জাননীখনৰ সন্দৰ্ভত উচ্চ ন্যায়ালয়ে পৰ্যবেক্ষণ কৰিছিল যে জাননীখনত আনকি এইটোও সূচোৱা হোৱা নাছিল যে ই আইনখনৰ ধাৰা ৪-ৰ অধীনৰ এক অধিসূচনা আছিল। ই কেৱল পূৰ্বৰ সেই ইতিহাস উল্লেখ কৰিছিল যাৰ ফলশ্ৰুতিত আপত্তি আহ্বানৰ অধিসূচনা জাৰি কৰিবলগীয়া হৈছিল। তাৰ পিছত ১৯৮৩ চনৰ ৭ অক্টোবৰত, আপত্তিসমূহ বিবেচনা কৰাৰ পিছত, ৬ নং ধাৰাৰ অধীনত এক অধিসূচনা জাৰি কৰা হৈছিল। এই সন্দৰ্ভত কোনো সন্দেহ নাই যে এই জাননীখনে আইনখনৰ ৪ নং ধাৰাৰ উপধাৰা (১) ৰ অধীনত জাৰি

কৰা অধিসূচনা হিচাপে ১৯৮৩ চনৰ ১১ জুলাই তাৰিখৰ অধিসূচনা সন্দৰ্ভত উল্লেখ কৰিছে। অৱশ্যে উচ্চ ন্যায়ালয়ে আইনখনৰ ৬-নং ধাৰাৰ অধীনত জাৰি কৰা অধিসূচনাৰ এই বিবৃতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল কাৰণ ১৯৮৩ চনৰ ১১ জুলাই তাৰিখে জাৰি কৰা অধিসূচনাখন আইনখনৰ ৪ (১) নং ধাৰাৰ অধীনত জাৰি কৰা অধিসূচনা বুলি বিবেচনা কৰা নাছিল। জাননীখনত স্পষ্টভাৱে উল্লেখ কৰা হৈছিল যে এই জাননীখন আইনখনৰ ৪ (১) ধাৰাৰ অধীনত জাৰি কৰা ১৯৮১ চনৰ ২৫ আগষ্ট তাৰিখৰ অধিসূচনাৰ ধাৰাবাহিকতাৰে জাৰি কৰা আইনখনৰ ৫-এ ধাৰাৰ অধীনৰ আপত্তি আহ্বানৰ এক অধিসূচনা। এইবুলিও অভিমত প্ৰকাশ কৰা হয় যে উচ্চ ন্যায়ালয়ে পূৰ্বৰ লেখ আবেদনত ১৯৮১ চনৰ ২৫ আগষ্ট তাৰিখৰ অধিসূচনাৰ প্ৰথম অংশটো বাতিল কৰা নাছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত এই অংশটো অক্ষুণ্ণ থাকিল । পৰৱৰ্তী অধিসূচনাত কেৱল ধাৰাটো ভুলকৈ উল্লেখ কৰাৰ বাবে আইনখনৰ ধাৰা ৫-এ-ৰ অধীনত আপত্তি আহ্বান কৰা অধিসূচনাখন আইনখনৰ ধাৰা ৪ (১)-ৰ অধীনত জাৰি কৰা অধিসূচনা হিচাপে পৰিগণিত হোৱা নাছিল।

আমাৰ সন্মুখত দাবীদাৰসকলে কৰা আপীলত উপস্থিত থকা অধিবক্তাই একে উপস্থাপন কৰিছিল। দাবীদাৰসকলৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী পি.পি. ৰাওৱে উপস্থাপন কৰিছিল যে ১৯৮৩ চনৰ ১১ জুলাইত আপত্তি আহ্বান কৰি জাৰি কৰা জাননীখনত আপত্তি দাখিলৰ বাবে ৩০ দিনৰ পৰিৱৰ্তে মাত্ৰ ২১ দিনৰ সময় দিয়া হৈছিল। মূলতঃ তেওঁ যুক্তি দিছিল যে পূৰ্বৰ অধিসূচনাখন সম্পূৰ্ণৰূপে বাতিল নহ'লেও আইনখনৰ ধাৰা ৪(১)ৰ অধীনত ইয়াক চৰকাৰী অধিসূচনা বুলি গণ্য কৰা উচিত। অন্য আপীলত দাবীদাৰসকলৰ হৈ হাজিৰ হোৱা আন অধিবক্তাই একে উপস্থাপনৰ পুনৰাবৃত্তি কৰিছিল। কিছুসংখ্যক দাবীদাৰৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী তনখাই [১৯৮৮] ৩ এছ চি চি ২৯৪ ত প্ৰকাশিত “ৰঘুনাথ আৰু অন্যান্য বনাম মহাৰাষ্ট্ৰ চৰকাৰ আৰু অন্যান্য” গোচৰটোত এই ন্যায়ালয়ৰ ৰায়দান অৱগত কৰিছিল আৰু এইবুলি

উপস্থাপন কৰিছিল যে এবাৰ ধাৰা ৬ ৰ অধীনৰ অধিসূচনা জাৰি কৰাৰ পিছত, ধাৰা ৪ ৰ অধীনৰ অধিসূচনা নিষ্ক্ৰিয় হয়। সেয়েহে, এই গোচৰটোত আইনখনৰ ৬ নং ধাৰাৰ অধীনত জাৰি কৰা প্ৰথম অধিসূচনাখন বাতিল কৰাৰ পৰিপ্ৰেক্ষিতত পূৰ্বে জাৰি কৰা ৪ নং ধাৰাৰ অধীনৰ অধিসূচনাখন নিষ্ক্ৰিয় হৈ পৰিছিল আৰু সেয়েহে , ৰাজ্যখনে আইনখনৰ ৪ নং ধাৰাৰ অধীনত আন এক অধিসূচনা জাৰি কৰাটো প্ৰয়োজনীয় হৈ পৰিছিল।পূৰ্বৰ ৪ নং ধাৰাৰ অধীনৰ অধিসূচনাৰ ধাৰাবাহিকতাৰে জাননী জাৰি কৰাৰ কোনো প্ৰশ্নই নুঠে। তেওঁৰ মতে দ্বিতীয় অধিসূচনাখন প্ৰথমখন অধিসূচনাৰ ধাৰাবাহিকতা বুলি ক'ব নোৱাৰি। তেওঁ [১৯৯০] ১ এছ. চি. চি ৫৯-ত প্ৰকাশিত “হিন্দুস্তান অইল মিলছ লিমিটেড আৰু অন্যান্য বনাম বিশেষ উপ-সমাহৰ্তা(ভূমি অধিগ্ৰহণ)” গোচৰটোত এই ন্যায়ালয়ৰ ৰায়দানৰ ওপৰতো নিৰ্ভৰ কৰিছিল।

উত্তৰত বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী ৰেড্ডীয়ে কয় যে অধিসূচনা এখনৰ বৈধতাৰ প্ৰশ্নটো আইনখনৰ ধাৰা ১৮ৰ অধীনত ন্যায়িক কাৰ্যক্ৰমত উত্থাপন কৰিব নোৱাৰি। তেওঁ ৰঘুনাথ গোচৰটোৰ ৰায়দান সন্দৰ্ভতো অৱগত কৰিছিল আৰু হিন্দুস্তান অইল মিলছৰ ৰায়ক পৃথক কৰিছিল।

আমি উল্লেখিত এই দুয়োটা ৰায় যত্নসহকাৰে বিবেচনা কৰিছো আৰু তাত নিৰ্ধাৰিত নীতিবোৰ যত্নসহকাৰে বিবেচনা কৰি ৰায় প্ৰদান কৰিব লাগিব যে দাবীদাৰসকলৰ যুক্তি সঠিক নহয় । তেওঁলোকৰ ফালৰ পৰা কৰা উপস্থাপন এই ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত যে আইনখনৰ ৬নং ধাৰাৰ অধীনত এক অধিসূচনা জাৰি কৰাৰ পিছত আইনখনৰ ৪-নং ধাৰাৰ অধীনত জাৰি কৰা অধিসূচনা নিষ্ক্ৰিয় হৈ গৈছিল, পিছত উচ্চ ন্যায়ালয়ে **সেইখন** অবৈধ বুলি নাকচ কৰিছিল। “ৰঘুনাথ আৰু অন্যান্য বনাম মহাৰাষ্ট্ৰ চৰকাৰ আৰু অন্যান্য” (ওপৰৰ) গোচৰটোৰ ৰায়ৰ অসামঞ্জস্যপূৰ্ণ উত্থাপন দৰ্শোৱা হৈছে। সেই ক্ষেত্ৰত গিৰধাৰীলাল অম্ৰতলাল বনাম গুজৰাট ৰাজ্য [(১৯৬৬)৩ এছ. চি.আৰ. ৪৩৭]-

গোচৰটোত এই ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিত একেধৰণৰ উপস্থাপন কৰা হৈছিল য'ত ন্যায়ালয়ৰ বিবেচনাৰ বাবে প্ৰশ্নটো এয়ে আছিল যে আইনখনৰ ধাৰা ৪ (১) ৰ অধীনৰ অধিসূচনাৰ দ্বাৰা সামৰি লোৱা বিভিন্ন ভূমিখণ্ডৰ সন্দৰ্ভত ক্ৰমিক ঘোষণা হ' ব পাৰে নেকি আৰু ধাৰা ৪ (১) ৰ অধীনৰ অধিসূচনাত নিৰ্দিষ্ট কৰা অঞ্চলৰ ক্ষেত্ৰত ধাৰা ৬ ৰ অধীনত ঘোষণা এবাৰ জাৰি কৰাৰ পাছত বাকী অ-নিৰ্দিষ্ট এলেকা স্বয়ংক্ৰিয়ভাৱে মুকলি হৈ পৰে নেকি। সেই সন্দৰ্ভত এইটো লক্ষ্য কৰা হৈছিল যে ৬ নং ধাৰাৰ অধীনত এটা বৈধ ঘোষণা কৰাৰ পিছত ৪ নং ধাৰাৰ অধীনৰ অধিসূচনাৰ পৰিসৰ শেষ হৈ যাব। সেয়েহে ৰঘুনাথ গোচৰটোত এই ন্যায়ালয়ে এইবুলি ৰায় দিছিল যে উপৰোক্ত নীতি এনে এটা গোচৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় য'ত আইনখনৰ ৬ নং ধাৰাৰ অধীনৰ ঘোষণাটো কোনো কাৰণত অবৈধ, অসাৰ্থক বা অফলপ্ৰসূ বুলি প্ৰমাণিত হয়। এই ন্যায়ালয়ে উল্লেখ কৰা প্ৰকাশিত তিনিটা গোচৰ হৈছে গিৰধাৰীলাল অম্ৰতলাল বনাম গুজৰাট ৰাজ্য, [১৯৬৬] ৩ এছ চি আৰ ৪৩৭=এ আই আৰ (১৯৬৬) এছ চি ১৪০৮; গুজৰাট চৰকাৰ বনাম হাইদৰ বাক্স ৰাজৰী, [১৯৭৬]৩ এছ চি চি ৫৩৬; আৰু ৰাজ্য বনাম ভোগিলাল কেশৱলাল, [১৯৮০] ১ এছ চি চি ৩০৮ আৰু এইবুলি ৰায় দিছিল যে য 'ত ৬নং ধাৰাৰ অধীনৰ এক অধিসূচনা অবৈধ, চৰকাৰে ইয়াক অৰ্থহীন বুলি বিবেচনা কৰিব পাৰে আৰু ইয়াৰ ঠাইত ৬ নং ধাৰাৰ অধীনত এক নতুন অধিসূচনা জাৰি কৰিব পাৰে আৰু চৰকাৰক এনে কৰাত বাধা দিব পৰাকৈ আইনখনৰ ৪৮ নং ধাৰাত একো ব্যৱস্থা নাই। এই ন্যায়ালয়ৰ দ্বাৰা উল্লেখ কৰা ৰায়কেইটাই স্পষ্টভাৱে ৬ নং ধাৰাৰ অধীনৰ সাৰ্থক ঘোষণা থকা গোচৰ আৰু ৬ নং ধাৰাৰ অধীনৰ ঘোষণা অবৈধ হোৱা গোচৰৰ মাজৰ পাৰ্থক্যটো আঙুলিয়াই দিয়ে। এই ন্যায়ালয়ে লগতে পৰ্যবেক্ষণ কৰিছিল যে নীতিগতভাৱে আদালতৰ দ্বাৰা ৬ নং ধাৰাৰ অধীনৰ ঘোষণা অবৈধ বুলি ঘোষণা কৰা গোচৰ আৰু ৬ নং ধাৰাৰ অধীনৰ ঘোষণা স্পষ্ট বিধিবিৰুদ্ধতা হোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে নিজেই প্ৰত্যাহাৰ কৰা গোচৰৰ মাজত কোনো পাৰ্থক্য নাই। সেয়েহে, ন্যায়ালয়ে উচ্চ

ন্যায়ালয়ৰ নিৰ্দেশ বাহাল ৰাখে আৰু এইবুলি ৰায় দিয়ে যে আইনখনৰ ৬ নং ধাৰাৰ অধীনৰ পূৰ্বৰ ঘোষণাটো প্ৰত্যাহাৰ কৰাৰ পিছত আইনখনৰ ৬ নং ধাৰাৰ অধীনত নতুন ঘোষণা জাৰি কৰাৰ ফলত ৪ নং ধাৰাৰ অধীনৰ অধিসূচনা নিষ্ক্ৰিয় আৰু অফলপ্ৰসূ হৈ নপৰে। ৰঘুনাথ গোচৰটোৰ ক্ষেত্ৰত আইনখনৰ ৪ নং ধাৰাৰ অধীনত এক অধিসূচনা জাৰি কৰা হৈছিল আৰু তাৰ পিছত আইনখনৰ ৬ নং ধাৰাৰ অধীনত এক ঘোষণা কৰা হৈছিল, কিন্তু ঘোষণা কৰাৰ আগতে আবেদনকাৰীসকলে দাখিল কৰা আপত্তিৰ শুনানি নোহোৱাৰ বাবে ঘোষণাটো বৈধ নহয় বুলি উপলব্ধি কৰি চৰকাৰে নিজেই আইনখনৰ ৰ ৬ নং ধাৰাৰ অধীনৰ অধিসূচনাখন প্ৰত্যাহাৰ কৰিছিল আৰু আইনখনৰ ধাৰা ৫-এ-ৰ অধীনৰ আপত্তিৰ শুনানিৰ পিছত আন এক ঘোষণা কৰিছিল। আমাৰ কোনো সন্দেহ নাই যে এই গোচৰৰ তথ্যৰ ক্ষেত্ৰতো একেই নীতি প্ৰযোজ্য। হিন্দুস্তান অইল মিলছ লিমিটেড আৰু অন্য এক বনাম বিশেষ উপ-সমাহৰ্তা (ভূমি অধিগ্ৰহণ) (ওপৰত উল্লেখিত) গোচৰটোৰ ৰায়ৰ সুযোগো দাবীদাৰসকলে গ্ৰহণ কৰিব নোৱাৰে কাৰণ সেই গোচৰৰ ৰায় ইয়াৰ স্বকীয় তথ্যৰ ভিত্তিত প্ৰদান কৰা হৈছিল। আইনখনৰ ৪ নং ধাৰাৰ অধীনৰ প্ৰথম দুখন অধিসূচনাত অধিগ্ৰহণ কৰাৰ প্ৰস্তাৱিত ভূমিভাগ স্পষ্টভাৱে উল্লেখ কৰা হোৱা নাছিল। সেইটো কেৱল তৃতীয়খন অধিসূচনা জাৰি হোৱাৰ পিছতহে স্পষ্ট হৈ পৰিছিল। এই ন্যায়ালয়ৰ দৃষ্টিগোচৰ হ'ল যে প্ৰথম দুখন অধিসূচনাত গুৰুতৰ ত্ৰুটি আছিল আৰু প্ৰকৃততে ৪ নং ধাৰাৰ অধীনৰ তৃতীয়খন অধিসূচনা সাৰ্থক আছিল । এই ন্যায়ালয়ে পৰ্যবেক্ষণ কৰিলে যে যেতিয়া এখন অধিসূচনা এক সংশোধনীৰ জৰিয়তে জাৰি হোৱা বুলি অনুমান কৰা হয়, ই প্ৰকৃততে আগৰটোত কিছুমান ত্ৰুটি সংশোধন কৰিছে নেকি অথবা বিষয়টোৰ সামগ্ৰিক ৰূপটো সম্পূৰ্ণৰূপে সলনি কৰা প্ৰকৃতিৰ নেকি সেই প্ৰশ্নটো প্ৰাসংগিক অধিসূচনাৰ চৰ্ত অনুসৰি বিবেচনা কৰিব লাগিব। সেয়েহে, এই ন্যায়ালয়ে ইয়াৰ ৰায় সম্পূৰ্ণৰূপে অধিসূচনাৰ ভাষাৰ ওপৰত আধাৰিত কৰিছিল। সংশোধনীৰ জৰিয়তে অধিসূচনা জাৰি কৰাৰ

ক্ষেত্ৰত কেৱল শেষৰখনকেই আইনখনৰ ৪ নং ধাৰাৰ অধীনৰ কাৰ্যকৰী অধিসূচনা হিচাপে ল'ব পৰাটো নুসূচায় বুলিও লক্ষ্য কৰা হয় । সেয়েহে, দাবীদাৰসকলক কৰ্তৃপক্ষই কোনো সহায় কৰিব নোৱাৰে। ৰঘুনাথ গোচৰত নিৰ্ধাৰণ কৰা নীতিসমূহ এই গোচৰৰ তথ্যৰ ক্ষেত্ৰত স্পষ্টভাৱে প্ৰযোজ্য হয় আৰু সেয়েহে, দাবীদাৰসকলৰ হৈ কৰা উপস্থাপন নাকচ কৰিব লাগিব।

সেয়েহে, আমি এই আপীলসমূহৰ কোনোটোতে একো গুৰুত্ব বিচাৰি পোৱা নাই আৰু সেয়েহে, আটাইকেইখন আপীল খাৰিজ কৰা হ'ল, কিন্তু খৰচৰ সন্দৰ্ভত কোনো নিৰ্দেশ প্ৰদান কৰা হোৱা নাই।

আপীল খাৰিজ কৰা হ'ল।

*অনুবাদঃ শ্ৰী প্ৰবীণ হাজৰিকা (অধিবক্তা)*

*পুনৰীক্ষণঃ দিতিমণি গগৈ (স্পেচিয়েল অফিচাৰ, অনুবাদ শাখা)*

Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।”